**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 28-03-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিত্তীয় বিধিৰ সংশোধনীত ৰাজ্যিক মন্ত্ৰীসভাৰ অনুমোদন।
২। ৰাজ্য চৰকাৰৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰবোৰ পুনৰ গঠনৰ সিদ্ধান্ত।
৩। ডিব্ৰুগড় জিলাৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ।
৪। চলিত বছৰৰ গুণোৎসৱৰ ফলাফল আনুষ্ঠানিকভাৱে ঘোষণা। শিৱসাগৰ জিলাৰ প্ৰথম স্থান।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু আৰু চেন্নাই ছুপাৰ কিংছ মুখামুখি।

0000000

ৰাজ্যিক মন্ত্ৰীসভাই কালি অনুষ্ঠিত বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিত্তীয় বিধিৰ সংশোধনীত অনুমোদন জনাইছে। এই সংশোধনী অনুসৰি লেচীয়ে পঞ্চায়তৰ অন্তৰ্গত হাট-বজাৰবোৰত এতিয়াৰেপৰা শাক-পাচলি, তামোল-পাণ আদি বিক্ৰেতাৰ পৰা কৰ সংগ্ৰহ কৰাত বাধা আৰোপ কৰা হৈছে। লেচীয়ে বজাৰৰ স্থায়ী ব্যৱসায়ীসকলৰ পৰাহে কৰ সংগ্ৰহ কৰিব পাৰিব বুলি সংশোধনীত উল্লেখ কৰা হৈছে। ইয়াৰ লগতে এতিয়াৰেপৰা লেচীয়ে বজাৰবোৰ পৰিষ্কাৰ কৰি ৰখাৰ দায়িত্বও মূৰ পাতি ল'ব লাগিব বুলি সংশোধনীত উল্লেখ কৰা হৈছে। মন্ত্ৰীসভাৰ সিদ্ধান্ত অনুসৰি এতিয়াৰেপৰা বজাৰৰ নতুন মহলদাৰ বাছনিৰ সময়তো পুলিচ ভেৰিফিকেচনৰ প্ৰয়োজন হ'ব।

মন্ত্ৰীসভাৰ আন এটা সিদ্ধান্ত অনুসৰি এতিয়াৰেপৰা বন আৰু পৰিৱেশ বিভাগে জলবায়ু পৰিৱৰ্তনৰ সৈতে জড়িত সকলো বিষয় চোৱাচিতা কৰিব। কালি অনুষ্ঠিত মন্ত্ৰীসভাই লোকনিৰ্মাণৰ গৃহ শাখাটো দুভাগত বিভক্ত কৰি লোকনিৰ্মাণ গৃহ আৰু লোকনিৰ্মাণ শিক্ষা আৰু স্বাস্থ্য হিচাপে পুনৰ গঠনত অনুমোদন জনায়।

ইপিনে, মন্ত্ৰী সভাই কালি স্বাস্থ্য বিভাগৰ সিচঁৰতি হৈ থকা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰবোৰ পুনৰ গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সিদ্ধান্ত অনুসৰি প্ৰতিটো বিধানসভা সমষ্টিত এটাকৈ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ থাকিব। অৱশ্যে আকাৰত ডাঙৰ সমষ্টিবোৰত দুটাকৈ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ থাকিব বুলি মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। মন্ত্ৰীসভাত কালি ৰাজ্যৰ সুলভ মূল্যৰ দোকানীসকলৰ অনুজ্ঞাপত্ৰৰ ম্যাদ একেটা চৰকাৰী আদেশযোগে অহা বছৰৰ ৩০ জুন পৰ্যন্ত বৃদ্ধিত অনুমোদন দিয়া হয়। একেদৰে কেঁচা চাহপাতৰ ক্ষেত্ৰত থকা কৰ ৰেহাই অহা পহিলা এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ আৰু দুবছৰৰ বাবে বৃদ্ধিত মন্ত্ৰীসভাই অনুমোদন দিয়ে।

ইপিনে, বিবাহ বিচ্ছেদৰ ক্ষেত্ৰত কোনো পুৰুষ কৰ্মচাৰীয়ে যদি সন্তানৰ দায়িত্ব ল'বলগীয়াত পৰে, তেনে কৰ্মচাৰীয়েও শিশুৰ যতনৰ বাবে ছুটী লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। অৱশ্যে সন্তানৰ দায়িত্ব নোলোৱা মহিলা কৰ্মচাৰীয়ে এই ছুটী নাপাব বুলি তেওঁ স্পষ্ট কৰি দিয়ে।

মন্ত্ৰীসভাই কালি ৫৭২ কোটি টকা ব্যয়সাপেক্ষে দৰং চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন জনায়। জিলাখনত চিকিৎসা মহাবিদ্যালয়ৰ লগতে বি এছ চি নাৰ্চিং কলেজ আৰু জি এন এম স্কুল এখনো নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰি কৰে। ইয়াৰ লগতে বাজেটত কৰা কেইবাটাও ঘোষণা অহা পহিলা এপ্ৰিলৰ পৰা ৰূপায়ণ কৰাৰ প্ৰস্তাৱত অনুমোদন দিয়া হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয়, যে মাহিলী ১৫ হাজাৰ টকাতকৈ কম দৰমহা পোৱা ব্যক্তিয়ে প্ৰফেচনেল কৰ আদায় দিব নালাগে। পূৰ্বতে এই সীমা ১০ হাজাৰ টকা আছিল বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ লগতে মন্ত্ৰীসভাই কালি কোকৰাঝাৰ জিলাৰ নায়েকৰ ৭৭ হেক্টৰ এলেকাৰ এখন প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ ১৮০ হেক্টৰ বনভূমি আৰু অৱশিষ্ট এলেকাসমূহক ৰাজহ গাঁৱলৈ পৰিৱৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে অধিসূচনাৰ জৰিয়তে ডিব্ৰুগড় জিলাৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন আফ্‌স্পা প্ৰত্যাহাৰ কৰিছে। ইয়াৰ লগে লগে ডিব্ৰুগড় জিলাখন অশান্ত অঞ্চল ঘোষণাৰ পৰা মুক্ত হ'ল। মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এখন সংবাদ মেলত এই বিষয়ে সদৰি কৰে। তেওঁ কয় যে এটা সময়ত সমগ্ৰ অসমতে এই আইন বলবৎ হৈ আছিল। কেন্দ্ৰীয় চৰকাৰে পৰ্যায়ক্ৰমে এই আইনখন প্ৰত্যাহাৰ কৰিছিল আৰু ৰাজ্যৰ ছখন জিলাত আইনখন বলবৎ হৈ আছিল। যোৱা বছৰ এনে জিলাৰ সংখ্যা ৪লৈ হ্ৰাস কৰা হৈছিল বুলিও তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰে ডিব্ৰুগড়কো অশান্ত অঞ্চল আৰু আফ্‌স্পাৰ আওতাৰ বাহিৰলৈ অনাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে বৰ্তমান শিৱসাগৰ, চৰাইদেউ আৰু তিনিচুকীয়া জিলাতহে এই আইন প্ৰযোজ্য হৈ থাকিব। তেওঁ কয় যে ডিব্ৰুগড় অসমৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ় দিবলৈ চৰকাৰে প্ৰচেষ্টা চলাই থকা বিষয়টো কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক অৱগত কৰাৰ পাছতে গৃহমন্ত্ৰী গৰাকীয়ে অসম ভ্ৰমণৰ সময়ত জিলাখনৰ পৰা এই আইন প্ৰত্যাহাৰ কৰাৰ আশ্বাস দিছিল। আইনখন প্ৰত্যাহাৰৰ পৰিপ্ৰেক্ষিতত জিলাখন বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে এই আইন বলৱৎ থকা জিলা তিনিখনৰ বাদে অসমলৈ জাপান, নিউজিলেণ্ড আদিৰ বিদেশী পৰ্যটকৰ ব্যাপক আগমন ঘটিব। ইয়াৰ লগতে আজি মন্ত্ৰীসভাৰ বৈঠকত ভালেমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়।

০০০০০০০

ৰাজ্য চৰকাৰে চৰকাৰী সংস্থাযোগে ধান আৰু সৰিয়হ বিক্ৰীৰ ক্ষেত্ৰত ন্যূনতম সমৰ্থন মূল্যৰ উপৰি ৰাজ্যৰ কৃষকক অতিৰিক্ত ধন প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মন্ত্ৰীসভাৰ এই সিদ্ধান্তৰ বিষয়ে সদৰি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কয়, যে কৃষকসকলে বৰ্তমান প্ৰতি কুইণ্টল ধানত পাই থকা ২৩০০ টকাৰ ন্যূনতম সমৰ্থন মূল্যৰ উপৰি ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অতিৰিক্তভাৱে আঢ়ৈশ টকাকৈ আদায় দিয়া হ'ব। ইয়াৰ ফলত কৃষকে প্ৰতি কুইণ্টল ধানত দুহেজাৰ ৫৫০ টকাকৈ ন্যূনতম সমৰ্থন মূল্য পাব বুলি তেওঁ উল্লেখ কৰে। একেদৰে সৰিয়হৰ ক্ষেত্ৰত প্ৰতি কুইণ্টলত বৰ্তমানৰ ন্যূনতম সমৰ্থন মূল্য ৫ হাজাৰ ৯৫০ টকাৰ উপৰি অতিৰিক্তভাৱে ৫০০ টকাকৈ, অৰ্থাৎ মুঠ ছহেজাৰ ৪৫০ টকাকৈ কৃষকসকলে লাভ কৰিব বুলি তেওঁ সদৰি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অহা পহিলা এপ্ৰিলৰ পৰা প্ৰযোজ্য হোৱাকৈ কৃষকসকলে এই ধন লাভ কৰিব। কৃষকসকলক উৎসাহিত কৰাৰ বাবেই এই ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে।

০০০০০০০

জ্ঞান বিজ্ঞান সমিতি অসমৰ একবিংশ ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহ, ২০২৫ কালিৰে পৰা মঙলদৈ মহাবিদ্যালয় প্ৰাঙ্গনত আৰম্ভ হৈছে। কালি সমাৰোহৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত হোৱা গ্ৰন্থমেলাৰ দ্বাৰ স্থানীয় বিধায়ক বসন্ত দাসে উদ্বোধন কৰে। এই সন্দৰ্ভত অধিক জনাইছে আমাৰ দৰঙৰ সংবাদদাতা ময়ুখ গোস্বামীয়ে -

**ৰাইট**

00000000000

চলিত বছৰৰ গুণোৎসৱৰ ফলাফলসমূহ আনুষ্ঠানিকভাৱে ঘোষণা কৰা হৈছে। কালি ঘোষিত ফলাফল অনুযায়ী এইবাৰৰ গুণোৎসৱত শিৱসাগৰ জিলাই প্ৰথম, গোলাঘাট জিলাই দ্বিতীয় আৰু ডিব্ৰুগড় জিলাই তৃতীয় স্থান লাভ কৰিছে। একেদৰে স্বচ্ছ আৰু সূচাৰুৰূপে গুণোৎসৱৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ ক্ষেত্ৰত গোলাঘাট জিলাই প্ৰথম, কামৰূপ মহানগৰে দ্বিতীয় আৰু যোৰহাট জিলাই তৃতীয় স্থান লাভ কৰিছে। এইবাৰ ১৩ হাজাৰ ৩০০ খন বিদ্যালয়ে এ প্লাছ গ্ৰেড আৰু ১৩ হাজাৰ ৯৯২ খন বিদ্যালয়ে এ গ্ৰেড লাভ কৰিছে। একেদৰে ১৪ লাখ ৬৪ হাজাৰ ৮০৮ গৰাকী শিক্ষাৰ্থীয়ে এ প্লাছ গ্ৰেড আৰু ১২ লাখ ছহেজাৰ ৪৪২ গৰাকী শিক্ষাৰ্থীয়ে এ গ্ৰেড লাভ কৰিছে।

এই উপলক্ষে কালি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা বছৰৰ গুণোৎসৱত এ প্লাছ গ্ৰেড লাভ কৰা ১১ হাজাৰ ৫৯৪ খন বিদ্যালয়ক উৎকৃষ্টতাৰ স্বীকৃতি আৰু ২৫ হাজাৰ টকাকৈ উদ্গনিমূলক অনুদান আগবঢ়ায়। অনুষ্ঠানত আৰোহণ কাৰ্যসূচীৰ অধীনত ৪ হাজাৰ ৩২০ গৰাকী শিক্ষাৰ্থীক টেবলেট প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত এইবাৰৰ গুণোৎসৱত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক প্ৰদৰ্শন উন্নত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আলোকপাত কৰে। শিক্ষক বদলিকৰণ তথা এজনীয়া শিক্ষকক কেন্দ্ৰ কৰি সময়ে সময়ে হৈ অহা চৰ্চাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে বিষয়টো সন্দৰ্ভত প্ৰাক্তন শিক্ষক-শিক্ষাবিদক লৈ এখন শিক্ষা আয়োগ গঠনৰ পোষকতা কৰে। বিষয়টোৰ ক্ষেত্ৰত ৰাইজৰ মতামত গ্ৰহণৰ আৱশ্যকতা আছে বুলিও তেওঁ মন্তব্য কৰে।

উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষাৰ্থীক গুণগত শিক্ষা দানৰ সংকল্পৰে চৰকাৰে ২০১৭ চনৰ পৰা অনুষ্ঠিত কৰি অহা গুণোৎসৱত এইবেলি ৪৪ হাজাৰ ৭৭ খন বিদ্যালয়ৰ ৩৮ লাখ ৯৮ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ বিদ্যায়তনিক মূল্যায়ন কৰা হৈছে।

গুণোৎসৱৰ প্ৰদৰ্শনত শীৰ্ষ জিলা আৰু গুণগত মানৰ ঐক্যসাজ যোগানত শ্ৰেষ্ঠ জিলা হিচাপে বিবেচিত হোৱাৰ পাছত আজি শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহত আনন্দমুখৰ পৰিবেশ বিৰাজ কৰিছে। জিলাখনৰ ৪৬৩ খন বিদ্যালয়ে এ প্লাছ গ্ৰেড আৰু ১৯২খন বিদ্যালয়ে এ গ্ৰেড লাভ কৰিছে। এইবাৰৰ গুণোৎসৱত ধেমাজি জিলাৰ ৪১৬খন বিদ্যালয়ে এ প্লাছ গ্ৰেড আৰু ৩৫৬ খন বিদ্যালয়ে এ গ্ৰেড লাভ কৰিছে। জিলাখনত এইবাৰ এহেজাৰ ৪৫৫ খন বিদ্যালয়ৰ ৯১ হাজাৰ ৩৪৭ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক মূল্যায়ন কৰা হৈছিল।

0000000

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত দুটা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলসমূহে ব্যাপক ৰূপত প্ৰচাৰ অব্যাহত ৰাখিছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা আৰু কামৰূপ জিলাৰ নিৰ্বাচন হ'বলগীয়া ৩৩ টা সমষ্টিৰ বাবে কালিও কেইবাগৰাকীও নেতাই প্ৰচাৰ

অভিযানত অংশ লয়। সমষ্টিকেইটাত বিজেপি, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু অসম গণ পৰিষদ দলে ঐক্যবদ্ধভাৱে প্ৰচাৰ অভিযান চলাই আছে। কংগ্ৰেছ দলৰ লগতে অন্যান্য ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীয়েও প্ৰচাৰ তীব্ৰ কৰি তুলিছে। জ্যেষ্ঠ বিজেপি নেতা তথা মন্ত্ৰী অশোক সিংহালে গোৱালপাৰা জিলাত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে কালি দদান পৰিষদীয় সমষ্টিত এন ডি এৰ প্ৰাৰ্থী দিবাকৰ ৰাভাৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে আন চাৰিটা সমষ্টিটো মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী ৰিপুন বৰাইও গোৱালপাৰা জিলাত নিজৰ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়।

পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে। বিজেপি আৰু কংগ্ৰেছ দলে আজি জিলাখনৰ নিৰ্বাচন হ'বলগীয়া সমষ্টি কেইটাত প্ৰচাৰ অভিযানত অংশ ল'ব।

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ গ্ৰাম্য জিলাত ১৬টা পৰিষদীয় সমষ্টি আছে। ইয়াৰে গোৱালপাৰা জিলাত এটা আৰু কামৰূপ জিলাৰ দুটা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত মুঠ ৩৩টা সমষ্টিৰ বাবে ৯৬গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০

শ্ৰীভূমি আৰক্ষীয়ে কালি পুৰামাৰা বাইপাছত অভিযান চলাই এখন ট্ৰাকৰ পৰা ৪৪২ গ্ৰাম হেৰ'ইন জব্দ কৰে আৰু দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰী দুগৰাকী পাৰভেজউদ্দিন আৰু ৰহিমউদ্দিন বুলি চিনাক্ত কৰা হৈছে। উদ্ধাৰ কৰা হেৰ'ইনখিনিৰ বজাৰ মূল্য প্ৰায় ৮৭ লাখ টকা হ'ব বুলি অনুমান কৰা হৈছে।

০০০০০০০

আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিং, আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্তৰ উপস্থিতিত যোৱা নিশা অসম আৰক্ষীৰ উলুবাৰীৰ মুখ্য কাৰ্যালয়ত মহানগৰীত মাহটোত সংঘটিত অপৰাধৰ পৰ্যালোচনা কৰা হয়। বৈঠকত উপস্থিত থাকি প্ৰচিকিউচন সঞ্চালকালয়ৰ সঞ্চালক মাখন ফুকনে অভিযুক্তক গ্ৰেপ্তাৰৰ সময়ত আৰু গ্ৰেপ্তাৰৰ পাছত আৰক্ষীয়ে পালন কৰিবলগীয়া বাধ্যবাধকতাসমূহৰ বিষয়ে বিশদভাৱে উল্লেখ কৰে। শ্ৰীফুকনে লগতে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ জৰিয়তে প্ৰৱৰ্তন কৰা নতুন বিধি-ব্যৱস্থাসমূহৰ ব্যাখ্যা আগবঢ়ায়।

০০০০০০০

ৰাজ্যিক মন্ত্ৰীসভাৰ কালি অনুষ্ঠিত বৈঠকত গ্ৰহণ কৰা সিদ্ধান্ত সমূহৰ বিষয়ে গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে। কাকতসমূহে ডিব্ৰুগড় জিলাৰ পৰা আফস্পা প্ৰত্যাহাৰ কৰাৰ ঘোষণা আৰু অসমলৈ পৰ্য্যটকৰ আগমনৰ ক্ষেত্ৰত জাপান চৰকাৰে সতৰ্কতা শিথিল কৰাৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণাক প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাত অতি কম সময়ৰ ভিতৰত ৰাজ্যত পি এম কিষাণ আঁচনিৰ হিতাধিকাৰিৰ সংখ্যা বৃদ্ধি হৈছে। দৈনিক অসম কাকতে এই অনুসন্ধানমূলক বাতৰিটো প্ৰকাশ কৰিছে।

১৪ জুনত ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ কাৰ্যকাল অন্ত পৰিব। এই পৰিপ্ৰেক্ষিতত শাসকীয় মিত্ৰজোটত ভিন্ন সমীকৰণ অব্যাহত আছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উত্তৰ পূৰ্বাঞ্চলত ২৩,২৪৫ মেগা ৱাট হাইড্ৰপাৱাৰ প্ৰকল্প শীঘ্ৰেই ৰূপায়ন হব।

লোকসভাত কেন্দ্ৰীয় শক্তি ৰাজ্য মন্ত্ৰী শ্ৰীপদ নায়কে প্ৰকাশ কৰা তথ্যৰ উদ্ধৃতিৰে এটা বাতৰি The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। তিনিচুকীয়াৰ তদানীন্তন এছ পি আৰ পি সিংসহ ৫ আৰক্ষীক হত্যাৰ ১০ অভিযুক্তক চি বি আইৰ বিশেষ আদালততে দোষমুক্ত ঘোষণা কৰি ৰায় দিছে। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত পৰীক্ষা নিয়ন্ত্ৰক কন্দৰ্প শৰ্মাক দায়িত্বৰ পৰা অপসাৰণ কোৰৰ দাবীত শিক্ষাৰ্থীৰ দাবীত উপাচাৰ্যৰ কাৰ্যালয়ত উত্তপ্ত পৰিস্থিতৰ সৃষ্টি হয়। এই বাতৰিটো প্ৰায় কেইখন কাকতে আলোকচিত্ৰ সহ প্ৰকাশ কৰিছে।

শিঙিমাৰিৰ ইটাভাটাত চিলিণ্ডাৰ বিস্ফোৰণত ১২ জন শ্ৰমিক অগ্নিদগ্ধ হোৱাৰ এটা বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। তিনিমাহৰ মূৰত অপহৃত প্ৰকাশ চেত্ৰীক আলাফা স্বাধীনে মুক্তি প্ৰদান কৰিছে। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। সাংসদ গৌৰৱ গগৈৰ পত্নীৰ পাকিস্তানৰে সম্পৰ্কৰ তথ্য SIT য়ে লাভ কৰিছে। এই বাতৰিটো অসমীয়া খবৰ আৰু নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে । আহক এতিয়া পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

00000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদক ৫ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ দলে ১৯১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু এটা বলত ৫টা উইকেট হেৰুৱাই ১৯৩ ৰান কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টৰ হৈ নিক'লাছ পুৰাণে ২৬টা বলত ৭০ ৰান আৰু মিছেল মাৰ্চে ৩১টা বলত ৫২ ৰান কৰে। হায়দৰাবাদৰ অধিনায়কে পেট কামিন্সে দুটা উইকেট লাভ কৰে। ইয়াৰ আগেয়ে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথম বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৯০ ৰান কৰে। হায়দৰাবাদৰ হৈ ট্ৰেভিছ হেডে ৪৭ আৰু অনিকেত বাৰ্মাই ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। লক্ষ্ণৌৰ হৈ চাৰিটা উইকেট দখল কৰা চাৰ্দুল ঠাকুৰক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

00000

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বি চি চি আইৰ এখন গুৰুত্বপূৰ্ণ বৈঠক কাইলৈ গুৱাহাটীত অনুষ্ঠিত হ'ব। বৈঠকত পৰিষদৰ সচিব দেৱজিৎ শইকীয়াৰ লগতে ভাৰতীয় ছিনিয়ৰ পুৰুষ ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক গৌতম গম্ভীৰ আৰু ৰাষ্ট্ৰীয় ছিনিয়ৰ ক্ৰিকেট দলৰ নিৰ্বাচক মণ্ডলীৰ মুৰববী অজিত আগৰকাৰ উপস্থিত থাকিব বুলি পৰিষদৰ সূত্ৰই প্ৰকাশ কৰিছে। বৈঠকত আসন্ন ইংলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় দলৰ অধিনায়ক সন্দৰ্ভত বিশদ আলোচনা হোৱাৰ সম্ভাৱনা আছে। একেদৰে বৈঠকত পৰৱৰ্তী খেল বৰ্ষত কেন্দ্ৰীয় চুক্তিত কোন কোন ক্ৰিকেটাৰক অন্তৰ্ভুক্ত কৰা হ'ব, এই বিষয়ে বিতংভাৱে আলোচনা কৰা হ'ব।

0000000

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ

আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশৰ ঠাই বিশেষ পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত  অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত বতৰ শুকান হৈ থাকিব বুলি কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**